অধ্যায় ১১ ঃ অসমৰ দেৱ-দেৱালয়সমূহৰ অধ্যয়ন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ প্ৰাচীন অসমত দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতি
১১.৪ অসমৰ মঠ-মন্দিৰৰ অধ্যয়ন পৰিক্ৰমা
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পুৰণি অসমৰ দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতিৰ বিষয়ে জানিব পাৰিব
- অসমৰ মঠ-মন্দিৰৰ অধ্যয়নৰ পৰিক্ৰমা সম্পৰ্কে অবগত হ'ব পাৰিব।

১১.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি প্ৰাচীন ভাৰতীয় গণিত শাস্ত্ৰৰ বিষয়ে আৰু বৃহৎ সংহিতাৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া আপুনি এই অধ্যায়ত অন্য এটি বিষয়ৰ লগত পৰিচিত হ'ব। এতিয়ালৈ অসমৰ বিভিন্ন দেৱ-দেৱালয়সমূহৰ বিশদ অধ্যয়ন হোৱা নাই। এই অধ্যায়ত আপুনি প্ৰাচীন অসমত দেৱ-দেৱালয়সমূহৰ নিৰ্মাণৰ প্ৰস্তুতি সম্পৰ্কে জানিব পাৰিব। বিভিন্ন মন্দিৰৰ অধ্যয়নৰ পৰিক্ৰমা লাভ কৰিব।

১১.৩ অসমত দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতি

প্ৰাকৃতিক পৰিবেশৰ মাজত সাধাৰণতে দেৱ-দেৱীৰ মন্দিৰ বা দেৱালয় স্থাপন কৰা হয়। প্ৰাকৃতিক পৰিবেশ বুলি ক'লে আমি সাগৰ, নদী, হ্ৰদ, পৰ্বত-পাহাৰ, নৈ-জুৰি আদিকে বুজো। তীৰ্থ স্থান হ'ব লাগিলে জল বা পানী লাগিবই। তীৰ্থ স্থানত মন্দিৰ স্থাপন কৰা হয় আৰু সেই মন্দিৰৰ ভিতৰতে দেৱ-দেৱীৰ মূৰ্তি স্থাপন কৰি পূজা-অৰ্চনা কৰা হয়। নগৰ-চহৰ, দূৰ্গ-পৰ্বত, উদ্যান-অৰণ্য সকলোৰেই মন্দিৰৰ স্থান হ'ব পাৰে। মন্দিৰৰ স্থান নিৰ্ণয় হোৱাৰ পিছত যজমানৰ হৈ আচাৰ্যই স্থপতিক নিৰ্দেশ দিয়ে যথা-বিহিত সকলো কৰিবলৈ। ঠাইখিনি নিৰ্দিষ্ট

হোৱাৰ পিছত কোনো এজন দেৱ বা দেৱীৰ মন্দিৰ প্ৰতিষ্ঠা হোৱাৰ আগতে সেই ঠাইৰ পৰা আন দেৱ, ভূত, ৰাক্ষসসকলক নাইকিয়া কৰি তথা প্ৰাৰ্থনা জনাই সেই ঠাইখিনি একোজন নিৰ্দিষ্ট দেৱতাৰ বাসভূমি কৰা হয়। ঠাইখিনি চাফা কৰি বা পবিত্ৰ কৰি দেৱ-দেৱীৰ বাসস্থান হিচাবে মন্দিৰৰ বাবে উপযুক্ত কৰা হয়।

মন্দিৰ নিৰ্মাণৰ বাবে যিকেইটা উপকৰণৰ প্ৰয়োজন হয়, সেইবোৰ হ'ল— শিল, ইটা, কবাল, কাঠ। অৱশ্যে কাঠ, বাঁহ, জকৰা, মাটি আদি উপকৰনো মন্দিৰ নিৰ্মাণৰ বাবে অসমত ব্যৱহাৰ কৰা হয়। মন্দিৰ নিৰ্মাণ কৰাৰ আগতে শুভ সময়ত গৰ্ভধান কৰা হয়। শুভ নক্ষত্ৰৰ নিশা পৃথিৱীত অনন্ত নাগৰ চিত্ৰৰ শিৰত গৰ্ভপাত আৰোপ কৰা হয়। এই গৰ্ভপাত লৈ মন্দিৰৰ গৰ্ভগৃহৰ ওপৰত বিমানৰ নিৰ্মাণ কৰা হয়। এই বিমান দেৱৰ বাহ্য শৰীৰ হয়, এয়ে আচল মন্দিৰ। মন্দিৰক আকৌ অনেক নামেৰে জনা যায়— দেৱালয়, প্ৰাসাদ, দেৱগৃহ, ভৱন, বিহাৰ, দেৱাগাৰ, চৈত্য, ক্ষেত্ৰ ইত্যাদি।

অগ্নিপুৰাণত ৪৫ বিধ মন্দিৰৰ উল্লেখ আছে। এই মন্দিৰবিলাকক তিনি শ্ৰেণীত ভাগ কৰা হয়— নাগৰ, দ্ৰাৱিড় আৰু ৱেসৰ। নাগৰ উত্তৰ ভাৰতৰ, দ্ৰাৱিড় দক্ষিণ ভাৰতৰ আৰু ৱেসৰ বিন্ধ্য পৰ্বতৰ পৰা অগস্ত্য অৰ্থাৎ নাসিকলৈকে দাক্ষিণাত্যৰ এই অংশৰ শৈলী বুলি ক'ব পাৰি।

অসমৰ মন্দিৰ নিৰ্মাণৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অসমৰ প্ৰাচীন মন্দিৰৰ বেছিভাগেই আহোম যুগৰ শেষৰ ফালে নিৰ্মিত হৈছে। উদাহৰণস্বৰূপে কামৰূপ জিলাৰ কথাই উল্লেখ কৰিব পাৰি। কামৰূপৰ পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্ৰী-মাধৱ মন্দিৰ কোচ ৰজাসকলৰ ৰাজত্বত সজোৱা হৈছে। অসমৰ কিছুমান মন্দিৰ স্বৰ্গদেৱ শিৱসিংহৰ দিনত নিৰ্মিত হৈছে। নীলাচল পৰ্বতৰকিছুমান ধ্বংসাৱশেষ সপ্তম-অষ্টম শতিকাত হৈছে। কিন্তু কামাখ্যা মন্দিৰৰ ওপৰভাগৰ কিছু অংশ নৰনাৰায়ণৰো পিছত নিৰ্মাণ কৰা হৈছে।

নীলাচল পাহাৰৰ আনবিলাক মঠ আপেক্ষিকভাৱে নতুন আৰু তাৰে কিছু অংশ ১৮৯৭ চনত দাৰভাংগাৰ মহাৰাজে পুনৰ্নিৰ্মাণ কৰাইছিল। হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ তল অংশৰ কটা ফুল আদি তথা বাহিৰলৈ শুড় আগ কৰি থকা হাতীৰ শাৰী আদি অতি পুৰণি স্থাপত্যৰ নিৰ্দশন বুলি কোৱা হয়। মন্দিৰৰ ওপৰভাগ ৰঘুদেৱনাৰায়ণে নিৰ্মাণ কৰিছিল। শিলত কটা কামৰূপৰ প্ৰায়বিলাক মন্দিৰেই আহোম স্থাপত্যৰ নিৰ্দশন। কামৰূপ তথা অসমৰ অন্যান্য ঠাইতো আগৰ মন্দিৰ ভাগি যোৱা বাবে বা মন্দিৰ ঘৰ নোহোৱা বাবে বহু ক্ষেত্ৰত কাঠ-বাঁহ-খেৰৰ ঘৰ আদি আজি দেৱ-দেৱীৰ পূজা অৰ্চনা কৰা হয়। এই মন্দিৰবোৰৰ ভিতৰত শৈৱ, শাক্ত আৰু বৈষ্ণৱ মন্দিৰ উল্লেখযোগ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মন্দিৰক কি কি বিভিন্ন নামেৰে জনা যায় লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ মন্দিৰ নিৰ্মাণৰ বাবে কি কি উপকৰণৰ প্ৰয়োজন হয় লিখক।

.....

.....

প্ৰশ্ন নং ৩ ঃ অগ্নিপুৰাণত কিমানবিধ মন্দিৰৰ উল্লেখ আছে লিখক।

.....

.....

১১.৪ অসমৰ মঠ-মনিদৰৰ অধ্যয়ন পৰিক্ৰমা

সনাতনীয় সমাজৰ সামাজিক তথা আধ্যাত্মিক ক্ষেত্ৰত সমুন্নতি সাধনৰ প্ৰধান উৎস হ'ল মঠ-মন্দিৰ সত্ৰ দেৱালয়সমূহ। মঠ-মন্দিৰ, সত্ৰ-দেৱালয়সমূহে সমাজৰ প্ৰতিজন মানুহক এটা নিৰ্দিষ্ট তথা মাৰ্জিত সুসঙ্গত পথেৰে বাধাহীনভাৱে আগবাঢ়িবলৈ প্ৰেৰণা যোগাই তোলে।

এই মঠ-মন্দিৰসমূহ সাধু-সজ্জন মহাত্মা তত্ব দৰ্শীসকলৰ দ্বাৰা বিদ্যোৎসাহী ধৰ্মপ্ৰাণ ৰজা মহাৰজাসকলৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল।

উপাসক ভেদে বিষ্ণু, শিৱ, দুৰ্গা প্ৰভৃতি দেৱ-দেৱীসকলৰ মন্দিৰ ঠায়ে ঠায়ে প্ৰতিষ্ঠা কৰি পূজা-উপাসনা কৰিছিল ভক্ত উপাসকসকলে।

শাক্তসকলৰ উপাস্য দেৱতা হ'ল শক্তি। শাক্তমাৰ্গত কালী, দুৰ্গা, মনসা, লক্ষ্মী প্ৰভৃতি দেৱী অন্তৰ্ভুক্ত। শক্তিৰ অধিষ্ঠাত্ৰী দেৱী সত্ব, ৰজস্তমাত্মিকা প্ৰকৃতি, যি জনাক আদ্যাশক্তি হিচাপে আখ্যায়িত কৰা হৈছে।

ইতঃপূৰ্বে আমাৰ দেশৰ আদিম অধিবাসীসকলৰ উপৰি সনাতন ধৰ্মাৱলম্বী লোকসকলেও আদ্যাশক্তিক নানা ৰূপত পূজা উপাসনা কৰিছিল। বৈদিক ৰীতি-নীতিৰ বাহিৰ লোকসকলেও কেচাইখাতী, বুঢ়ী গোসাঁনী নামৰ এগৰাকী দেৱতাৰ পূজা কৰিছিল।

পৰৱৰ্তী কালত এওঁলোকে হিন্দুধৰ্মা গ্ৰহণ কৰিও তেওঁলোকৰ জাতি ধৰ্মাগত প্ৰাচীন ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি চলিছিল।

খাচীয়াসকলেও কামাখ্যা দেৱীক তেওঁলোকৰ নিজৰ দেৱথল বুলি ক'বলৈ খোজে আৰু তেওঁলোকক বুঢ়ীআই বা বুঢ়ীগোসানীৰ থান বুলি পূজা সেৱা কৰে। (স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, পৃঃ ১৩৬)।

সনাতনীয় ধৰ্মীয় পদ্ধতিত পূজা সেৱাৰ প্ৰাৰম্ভিক পৰ্যায়ত গণেশাদি পঞ্চ দেৱতাৰ পূজাৰ বিধান দিয়া হৈছে। এই পঞ্চ দেৱতাৰ পূজাত গণেশ, সূৰ্য, বিষ্ণু, শিৱ আৰু শিৱা অৰ্থাৎ দুগা অন্তৰ্ভুক্ত হৈছে।

শিৱা দুৰ্গা বা কালী প্ৰভৃতি শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ আৰাধনা প্ৰসূত শাক্তমত বা শক্তিবাদৰ প্ৰচলন হৈছে।

শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ আৰাধনাৰ নিমিত্তে অসম প্ৰান্তৰ ঠায়ে ঠায়ে মঠ-মন্দিৰসমূহ প্ৰতিষ্ঠিত হৈছিল।

অসমৰ প্ৰসিদ্ধ মঠ-মন্দিৰ ঃ

অসমৰ উত্তৰ পূব সীমান্ত অঞ্চলত ভাৰত প্ৰসিদ্ধ তীৰ্থ স্থান পৰশুৰাম কুণ্ড আৰু ব্ৰহ্মকুণ্ড অৱস্থিত। দেৱাদিদেৱ শিৱ নিবাস কৈলাশৰ নিকটৱৰ্তী গন্ধমাদন, জাৰুধিপ আৰু সম্বৰ্ত্তকাদি চাৰিখন পৰ্বতৰ মধ্যস্থলত শান্তনুকুলোদ্ভৱ ব্ৰহ্মপুত্ৰক স্থাপন কৰিলে। (কালিকাপুৰাণ ৮২ অধ্যায়)

'তজ্জাতঞ্চ তথাভুতং শান্তনুলৌকশান্তনুঃ।
চতুৰ্ণাং পৰ্বতানাঞ্চ মধ্যদেশে নৱীৱিশাৎ।

(কালিকাপুৰাণ ৮২/৩৫)

কৈলাসাদি পৰ্বত পৰিবেষ্টিত মনোৰম আশ্ৰম, য'ত বাস কৰে মহাতপস্বী ঋষি শান্তনু।

ঋষি শান্তনুৰ অনুপস্থিতিত সাধ্বী, সতী, ৰূপৱতী হিৰণ্যগৰ্ভ মুমিৰ কন্যা অমোঘাৰ ৰূপত মুগ্ধ হৈ ব্ৰহ্মাই অনুসৰণ কৰি আশ্ৰমৰ দুৱাৰমুখ পালে। ব্ৰহ্মাৰ কু অভিপ্ৰায়ৰ কথা জানিব পাৰি সাৱধান বানী শুনাই স্থান ত্যাগ কৰাৰ নিৰ্দেশ দিলে। শান্তনুমুনিৰ ভাৰ্য্যা অমোঘাৰ অভিশাপৰ ভয়ত স্থান ত্যাগ কৰিলে হয় কিন্তু অত্যন্ত কামপ্ৰৰণতাত ব্ৰহ্মাৰ শক্তি পাত হ'ল।

কিছু সময় পিছত তাত উপস্থিত হৈ ঋষি শান্তনুৱে হংস পদচিহ্ন আৰু তৰল বস্তু বিশেষ দেখি অমোঘাক সুধিলত জানিব পাৰিলে ব্ৰহ্মাৰ আগমনৰ কথা। স্বামী শান্তনুৱে দিয়া আদেশ অমান্য কৰি স্বামীক উক্ত বস্তু গ্ৰহণ কৰিব কোৱাত স্বামী শান্তনুৱে উক্ত বস্তু (বীৰ্য্য) গ্ৰহণ কৰি অমোঘাৰ সৈতে মিলিত হ'ল আৰু তাৰ ফলত জলময় সন্তান উপজি এটা কুণ্ডত আবদ্ধ হ'ল, নাম পালে ব্ৰহ্মকুণ্ড।

অমোঘাৰ গৰ্ভ সম্ভূত জলৰাশিৰ ভিতৰত দিব্য মূৰ্ত্তিমান, ৰত্নমালা বিভূষিত, নীলাম্বৰ পৰিধান, কিৰীটধাৰী, ব্ৰহ্মাৰ দৰে আৰক্ত গৌৰবৰ্ণ, চতুৰ্ভূজপদ্মবিদ্যাধ্বজ-শক্তিধাৰী শিশুমাৰ মস্তকাৰূঢ় এটি পুত্ৰ দৃশ্যমান হ'ল। লোক মঙ্গল কৰা শান্তনুৱে ব্ৰহ্মপুত্ৰক চাৰিখন পৰ্বতৰ মাজভাগত স্থাপন কৰিলে।

তজ্জাতঞ্চ তথাভূতং শান্তনুলোকশান্তনু।
চতুৰ্ণাং পৰ্বতানাঞ্চ মধ্যদেশে নৱীৱিশৎ।।

(কালিকাপুৰাণ ৮২, অধ্যায় ৩৫)

উত্তৰত কৈলাস, দক্ষিণত গন্ধমাদন, পশ্চিমত জাৰুধি পৰ্বত আৰু পূবত সম্বৰ্ত্তকাদি পৰ্বত শ্ৰেণী। ব্ৰহ্মপুত্ৰ সেই পৰ্বতসমূহৰ মাজত কুণ্ডৰূপত অৱস্থান কৰি এক পুণ্য তীৰ্থ ক্ষেত্ৰত পৰিণত হয়। দেৱ-দেৱী অন্সৰাসকলেও ব্ৰহ্মকুণ্ডত স্থান আৰু জলপান কৰি দেহ মন পবিত্ৰ কৰে।

মহাতপস্বী জমদগ্নীৰ নিৰ্দেশত পুত্ৰ পৰশুৰামে মাতৃ হত্যা জনিত মহাপাপৰ পৰা মুক্তি লাভ কৰিছিল ব্ৰহ্মকুণ্ডত স্নান কৰি।

তত্ৰ স্নাত্বা চ পীত্বা চ মাতৃহত্যামপানয়ন্।
ৱীথীং পৰশুনা কৃত্বা তৎ মহ্যামৱতাৰয়ৎ।। ৪৩।।

(কালিকাপুৰাণ ৮২ অধ্যায়)

ভাৰতবৰ্ষৰ পুণ্যতীৰ্থসমূহৰ অন্যতম পৰশুৰাম কুণ্ড তীৰ্থযাত্ৰীসকলৰ হৃদয়ত স্থান লৈ বিৰাজমান হৈ অসমৰ গৌৰৱ গাথা কীৰ্তন কৰি আছে।

এই ব্ৰহ্মাকুণ্ড উত্তৰপুৰ সীমান্ত অঞ্চলৰ অন্তৰ্গত মিচিমি পৰ্বত লক্ষীমপুৰ জিলাৰ উত্তৰ-পূব সীমান্তত অৱস্থিত।

অসমৰ মন্দিৰ দেৱালয়সমূহ চাৰিভাগত বিভক্ত শিৱৰ উপাসকসকলৰ বাবে শিৱ মন্দিৰ, শক্তিৰ উপাসকসকলৰ (শাক্ত) বাবে শক্তিৰ মন্দিৰ, বিষ্ণুৰ উপাসকসকলৰ বাবে (বৈষ্ণব) বিষ্ণু মন্দিৰ আৰু কৃষ্ণ প্ৰধান নামধৰ্মাৱলম্বী সাকাৰ, নিৰাকাৰসকলৰ ভিন্ন ভিন্ন সত্ৰ আৰু নামঘৰসমূহে অসমৰ ধৰ্মানুষ্ঠানৰ স্থান হিচাপে প্ৰতিষ্ঠিত।



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অসমৰ মন্দিৰ নিৰ্মাণৰ প্ৰস্তুতিৰ বিষয়ে গম পালে।
- অসমৰ দেৱ-দেৱালয়সমূহৰ অধ্যয়ন পৰিক্ৰমাৰ বিষয়ে জানিলে।



১১.৬ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (১৯৯১), *পবিত্ৰ অসম*, গুৱাহাটী লয়ার্ছ বুক ষ্টল।

২) ভট্টাচার্য, হিতেন্দ্ৰ নাথ আৰু ভট্টাচার্য, সুৰেশ চন্দ্ৰ, সম্পাদিত (২০০৯), *অসমৰ প্ৰাচীন দ'ল-দেৱালয়*, গুৱাহাটী ঃ সদৌ অসম দেৱালয় সংঘ শ্ৰীশ্ৰী জনার্দন দেৱালয়, শুক্ৰেশ্বৰ।



১১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মন্দিৰক অনেক নামেৰে জনা যায়। যেনে- দেৱালয়, প্ৰসাদ, দেৱগৃহ, ভৱন, বিহাৰ, দেবাগাৰ, চৈত্য, ক্ষেত্ৰ ইত্যাদি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মন্দিৰ নিৰ্মাণৰ বাবে ইটা, শিল, কাঠ, বাঁহ, ইকৰা, মাটি আদি বিভিন্ন উপকৰণৰ দৰকাৰ হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অগ্নিপুৰাণত ৪৫ বিধ মন্দিৰৰ উল্লেখ আছে।



১১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমত মন্দিৰ নিৰ্মাণৰ প্ৰস্তুতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অসমৰ মঠ-মন্দিৰৰ অধ্যয়ন পৰিক্ৰমাৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ মন্দিৰসমূহক কেই শ্ৰেণীত ভাগ কৰা হয় লিখক।

*** ***** ***